**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ পৰিপ্রেক্ষিতত আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈ স্থগিত ৰখা হয়।

২। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ কুৰি সংখ্যক কিস্তিৰ ধন পৰহিলৈ মুকলি কৰি দিয়া হ'ব।

৩। ফিলিপাইনছ্ৰ ৰাষ্ট্ৰপতি ফাৰ্দিনেণ্ড আৰ মাৰ্ক'ছ্ অহা ৪ আগষ্টত পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৪। ছহিদ উধম সিঙৰ আজিৰ ৮৬ সংখ্যক ছহিদ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট আজি লণ্ডনৰ অ'ভেলত আৰম্ভ হ'ব।

০০০০০০০

বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ পৰিপ্রেক্ষিতত আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈ স্থগিত ৰখা হয়।

লোকসভাত দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা নাছা-ইছৰ' চিন্থেটিক এপাৰ্ছাৰ ৰাডাৰ চমুকৈ 'নিছাৰ' উপগ্ৰহৰ সফল উৎক্ষেপনৰ বাবে মহাকাশ বিজ্ঞানীসকলক অভিনন্দন জনায়। শ্ৰী বিৰলাই সদনৰ প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলায়, কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় উঠাই লোৱাৰ দাবীৰে সদনৰ মজিয়ালৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। অধ্যক্ষই বিৰোধী সাংসদসকলৰ এনে আচৰণত উদ্বেগ প্ৰকাশ কৰি তেওঁলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ অনুৰোধ জনায়। কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

ৰাজ্যসভাত দুপৰীয়া ১২ বজাত প্ৰথমবাৰ স্থগিতকৰণৰ পাছত সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় সন্দৰ্ভত আলোচনাৰ দাবী জনাই শ্ল'গান দিবলৈ আৰম্ভ কৰে। সেই সময়ত সভাপতিৰ আসনত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিবলৈ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে সভাপতিয়ে দিনৰ দুই বজালৈ সদন স্থগিত ঘোষণা কৰে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত প্ৰথমবাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত উচ্চ সদনেও 'নিছাৰ' উপগ্ৰহৰ সফল উৎক্ষেপনৰ বাবে বিজ্ঞানীসকলক অভিনন্দন জনায়। ৰাজ্যসভাৰ উপ-সভাপতি হৰি বংশে কয়, যে তেওঁ ভিন ভিন ৰাজনৈতিক দলৰ পৰা বিভিন্ন বিষয় সন্দৰ্ভত লাভ কৰা ২৮ খন স্থগিতকৰণৰ জাননী খাৰিজ কৰে। উপ-সভাপতিগৰাকীয়ে সদনৰ শূন্যকাল আগবঢ়াই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাৰ দাবীত ধ্বনি দিবলৈ আৰম্ভ কৰে। হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাত সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ কুৰি সংখ্যক কিস্তিৰ ধন পৰহিলৈ মুকলি কৰি দিয়া হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অধ্যক্ষতাত কালি নতুন দিল্লীত এই বিষয়ৰ এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত কিস্তিৰ ধন মোকলাই দিয়াৰ লগতে অধিকসংখ্যক কৃষকে যাতে এই আঁচনিৰ সুফল লাভ কৰিব পাৰে সেই সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকত শ্ৰীচৌহানে পৰহিলৈ হ'বলগীয়া কাৰ্যসূচীত ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা তথা গাঁও পৰ্যায়ত কৃষকসকলৰ সৈতে সংযোগ স্থাপন কৰি এই কাৰ্যসূচী ৰাষ্ট্ৰজোৰা অভিযান হিচাপে আয়োজন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে দেশৰ

কৃষকসকলকো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই আঁচনিৰ অধীনত তিনিটা কিস্তিত কৃষকসকলৰ একাউণ্টত ছহেজাৰ টকাকৈ জমা দিয়া হয়।

০০০০০০

পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ অন্তিম সময়সীমা অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে অনলাইন ব্যৱস্থাৰেহে এই মনোনয়নসমূহ গ্ৰহণ কৰা হ'ব। অহা বছৰৰ গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী আদি হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান।

০০০০০০

অহা পহিলা আগষ্টৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিপাক্ষিক বাণিজ্যত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৰা ঘোষণাক ভাৰতে বিবেচনাৰ অৰ্থে গ্ৰহণ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ এটা বিবৃতিত কোৱা হৈছে যে চৰকাৰে ইয়াৰ প্ৰয়োগ সন্দৰ্ভত অধ্যয়ন কৰি আছে। চৰকাৰে ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও বিবৃতিটোত লগতে কোৱা হৈছে। একেদৰে অন্যান্য বাণিজ্যিক চুক্তি, বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ব্যাপক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিকো ইয়াৰ সৈতে সামৰি লোৱা হৈছে।

মন্ত্ৰালয়ে লগতে কয়, যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বিগত কেইবামাহ ধৰি স্বচ্ছ, ভাৰসাম্য আৰু পাৰস্পৰিক লাভজনক বাণিজ্য চুক্তিৰ সম্পাদনত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। চৰকাৰে খেতিয়ক, উদ্যমী আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ সুৰক্ষা আৰু প্ৰসাৰত গুৰুত্ব আৰোপ কৰিছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। ইপিনে, দেশৰ বৃহৎ ব্যৱসায়িক সংস্থা ফিক্কিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰই ৰপ্তানিকৃত সামগ্ৰীত ২৫ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে। সংস্থাটোৰ অধ্যক্ষ হৰ্ষবৰ্ধন আগৰৱালাই ইয়াক অতি দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি কয়, যে ইয়াৰ ফলত দেশৰ ৰপ্তানিত বিৰূপ প্ৰভাৱ পৰিব।

০০০০০০

ফিলিপাইন্‌ছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনেণ্ড আৰ মাৰ্ক'ছ্ অহা ৪ আগষ্টত পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইচ আৰানেটা মাৰ্ক'ছ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, অন্যান্য প্ৰতিনিধি আৰু জ্যেষ্ঠ বিষয়াৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল ভাৰত ভ্ৰমণলৈ আহিব। শ্ৰী মাৰ্কোছে ফিলিপাইন্‌ছৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে ভাৰতলৈ আহিব। এই ভ্ৰমণকালত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰেও ৰাষ্ট্ৰপতি মাৰ্ক'ছৰ সৈতে আলোচনাত মিলিত হ'ব। ৮ আগষ্টত ফিলিপাইন্‌ছলৈ ঘূৰি যোৱাৰ পূৰ্বে তেওঁ বেংগালুৰু ভ্ৰমণ কৰিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে ফিলিপাইন্‌ছৰ সৈতে ভাৰতৰ সম্পৰ্ক হৈছে দেশৰ এক্ট-ইষ্ট পলিচী, মহাসাগৰ দৰ্শন আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। ৰাষ্ট্ৰপতি মাৰ্ক'ছৰ এই ভ্ৰমণৰ সময়তে ভাৰত-ফিলিপাইন্‌ছ কূটনৈতিক সম্পৰ্কৰো ৭৫ বছৰ সম্পূৰ্ণ হ'ব।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ মাধ্যমেৰে অৰ্কিড অভিযানক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যৰে অৰুণাচল প্ৰদেশৰ মুখ্য সচিব মণীষ কুমাৰ গুপ্তা থাইলেণ্ডত থকা ভাৰতৰ ৰাষ্ট্ৰদূত নাগেশ সিঙৰ সৈতে এখন ভাৰ্চুৱেল বৈঠকত মিলিত হয়। তেওঁলোকে অৰ্কিড খেতিৰ বাবে সম্ভাব্য অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰে। অৰুণাচল প্ৰদেশ চৰকাৰে উচ্চমানৰ অৰ্কিড ৰোপণ সামগ্ৰী আৰু কাৰিকৰী বিশেষজ্ঞৰ সহায়ত বৈজ্ঞানিক আৰু বাণিজ্যিকভাৱে অৰ্কিড খেতি কৰাৰ ক্ষেত্ৰত থাই বিনিয়োগকাৰীক আকৰ্ষণৰ বাবে ভাৰতীয় দূতাবাসৰ সমৰ্থন বিচাৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্য সচিবগৰাকীয়ে উল্লেখ কৰে যে অৰুণাচল প্ৰদেশ চৰকাৰে এইক্ষেত্ৰত কৃষক, স্বেচ্ছাসেৱী গোট আৰু কৃষি উৎপাদক সংস্থাসমূহক দক্ষ কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চিবিআইয়ে উৎকোচ গ্ৰহণৰ এটা গোচৰত দিল্লী উন্নয়ন প্ৰাধিকৰণ ডিডিএৰ এজন বিষয়াক গ্ৰেপ্তাৰ কৰিছে। অনুসন্ধানকাৰী সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰা মতে অভিযুক্ত বিষয়াজনে অভিযোগকাৰী লোকজনৰ দোকানৰ প্ৰয়োজনীয় অনুমতিৰ দৰ্খাস্তখন আগবঢ়াই নিয়াৰ নামত ৫০ হাজাৰ টকা উৎকোচ হিচাপে দাবী কৰিছিল। অভিযোগকাৰীজনৰ পৰা উৎকোচ হিচাপে ৫০ হাজাৰ টকা দাবী কৰা আৰু ২০ হাজাৰ টকা গ্ৰহণ কৰা অৱস্থাত বিষয়াজনক হাতে-লোটে আটক কৰা বুলি সংস্থাটোৱে প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছহিদ উধম সিঙৰ আজিৰ ৮৬ সংখ্যক ছহিদ দিৱস উপলক্ষে তেওঁলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ছহিদ উধম সিং দেশৰ এগৰাকী অমৰ সন্তান আছিল। তেওঁৰ দেশপ্ৰেম আৰু সাহসিকতা চিৰদিন দেশৰ জনসাধাৰণৰ বাবে অনুপ্ৰেৰণৰ উৎস হৈ ৰ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ছহিদ উধম সিঙৰ প্ৰতি আজি দেশবাসীয়ে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। গডৰ পাৰ্টি আৰু হিন্দুস্তান ছ'চিয়েলিষ্ট ৰিপাব্লিক এছ'চিয়েচনৰ সৈতে জড়িত উধম সিঙে ১৯১৯ চনৰ অমৃতসৰৰ জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ প্ৰতিশোধ স্বৰূপে ১৯৪০ চনৰ ৩০ মাৰ্চত তদানীন্তন ব্ৰিটিছ পাঞ্জাৱৰ প্ৰাক্তন উপ-ৰাজ্যপাল মাইকেল অ' ডায়ৰক হত্যা কৰিছিল।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট আজি লণ্ডনৰ অ'ভেলত আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থ টেষ্টৰ দ্বিতীয় ইনিংছত দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখন ড্ৰ' কৰিবলৈ সমৰ্থ হোৱাৰ পিছত ভাৰতৰ মনোবল উন্নত হৈ আছে। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাত এতিয়ালৈকে ইংলেণ্ডে ২-১ ৰ অগ্ৰগতি লাভ কৰি আছে। পঞ্চম টেষ্টৰ বাবে ভাৰতীয় দলত আঘাতপ্ৰাপ্ত ঋষভ পণ্টৰ ঠাইত ধ্ৰুৱ জুৰেলক অন্তৰ্ভুক্ত কৰা  হৈছে। কুলদীপ যাদৱকো মূল একাদশত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে।

আনহাতে, ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকছে আঘাতৰ বাবে  পঞ্চম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰিব। তেওঁৰ ঠাইত অ'লি পোপে ইংলেণ্ড দলটোৰ নেতৃত্ব দিব।

০০০০০০০

আয়ুষ মহাত্ৰেই অহা ২১ ছেপ্তেম্বৰৰ পৰা অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিবলগীয়া ভাৰতৰ ১৯ বছৰ অনূৰ্ধৰ ক্ৰিকেট দলৰ নেতৃত্ব দিব। দলটোৱে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন এদিনীয়া আৰু দুখন চাৰিদিনীয়া খেল খেলিব। ইংলেণ্ডত অনুষ্ঠিত যুৱ ক্ৰিকেট টেষ্টত মহাত্ৰেই চাৰিটা ইনিংছত দুটা শতক আৰু এটা অৰ্ধ শতককে ধৰি ৩৪০ ৰানৰ বৰঙণিৰে অভূতপূৰ্ব প্ৰদৰ্শন কৰিছিল। ১৯ বছৰ অনূৰ্ধৰ এই দলটোত দিহান মালহোত্ৰাক উপ-অধিনায়ক হিচাপে নিৰ্বাচিত কৰা হৈছে।

০০০০০০০

সমাপ্ত